# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

**শুক্ৰবাৰ, ৮ চেপ্তেম্বৰ, ২০১৭**

**গড়কাপ্তানি (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ সমূহ), মীন, আবকাৰী, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, (খাদী আৰু গ্ৰাম্য উদ্যোগ বাদ দি)।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **২০১৪-১৫ বৰ্ষৰ RIDF-XX/42 আঁচনিৰ ৰাস্তাৰ কাম ।**

শ্ৰীনিজানুৰ ৰহমান ঃ

*৮১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানি (গ্ৰাম্য পথ) বিভাগৰ ধুবুৰী সংমণ্ডলৰ অধীনত গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত ইং ২০১৪-১৫ বৰ্ষৰ RIDF-XX/42 আঁচনিৰ অধীনত বেগুনতলীৰ পৰা গৌৰীপুৰ বেপাৰী পট্টীলৈ (Ch. No. 4500 to 5300 M ) ৰাস্তাৰ নিৰ্মাণৰ কামখিনি আজিলৈ সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি ?

(খ) এতিয়ালৈকে চৰকাৰী তথ্য মতে উক্ত কামৰ অগ্ৰগতি কিমান সদনক জনাবনে ?

(গ) উক্ত অসম্পূৰ্ণ ৰাস্তাৰ কাম কেতিয়ালৈ সম্পূৰ্ণ কৰা হ'ব জনাবনে ?

*বিষয় ঃ* **কাঠৰ দলং সমূহ পকীকৰণ ।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

*৮২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত কিমানখন কাঠৰ দলং পকীকৰণ কৰা হ'ল ? (জিলা ভিত্তিত তথ্য দিব)

(খ) ইয়াৰে কিমানখন দলঙৰ কাম সম্পূৰ্ণ কৰা হ'ল আৰু কিমানখন বাকী আছে ?

(গ) সৰুক্ষেত্ৰী সমষ্টিত কিমানখন দলং পকীকৰণৰ ব্যৱস্থা কৰা হৈছে ?

(ঘ) এতিয়াও বাকী থকা কাঠৰ দলং সমূহ কেতিয়া পকীকৰণ কৰা হ'ব ?

*বিষয় ঃ* **ৰাস্তা মেৰামতি ।**

ডাঃ মতিউৰ ৰহমান মণ্ডল ঃ

*৮৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ শালমৰা মানকাচাৰ জিলাৰ হেলডিগঞ্জ মানকাচাৰ পথটো (H.M. Road) যাতায়তৰ বাবে একেবাৰে অনুপযুক্ত বুলি গড়কাপ্তানি বিভাগ অৱগতনে ?

(খ) ইতিমধ্যে মেৰামতিৰ বাবে ১ (এক) কৌটি টকা খৰচ কৰা হৈছে যদিও মেঘালয় ৰাজ্যাই শিল-বালি আদি যোগান বন্ধ কৰা বাবে ঠিকাদাৰে

কাম কৰিব পৰা নাই। চৰকাৰে অন্য কিবা ব্যৱস্থা কৰিব নেকি ?

(গ) কেন্দ্ৰীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে এই পথটো ৰাষ্ট্ৰীয় ঘাইপথ (National Highway) হিচাপে ঘোষণা কৰিছে। ইয়াৰ কাম হ'বনে ?

(ঘ) যদি হয়, কেতিয়ালৈ হ'ব জনাবনে ?

*বিষয় ঃ* **পকী পথৰ দৈৰ্ঘ্য ।**

মোঃ নুৰুল হুদা ঃ

*৮৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় ঘাই পথ, ৰাজ্যিক পথ, গড়কাপ্তানি পথ সহ অসমৰ সকলো স্তৰৰ পথৰ সৰ্বমুঠ দৈৰ্ঘ্য কিমান ? (বিস্তৃত তথ্য সদনত দিব)

(খ) উক্ত পথ সমূহৰ ভিতৰত ২০০১ চনৰ ৩১ মাৰ্চলৈ পকী পথৰ দৈৰ্ঘ্য কিমান আছিল ? ২০১৬ চনৰ ৩১ মাৰ্চত ৰাজ্যখনৰ মুঠ পকীপথৰ দৈৰ্ঘ্য কিমান হয় ? (বিস্তৃত তথ্য সদনত দাখিল কৰিব)

(গ) ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত অসমৰ কিমানটা পথ পকীকৰণৰ আঁচনি গ্ৰহণ কৰা হৈছে ? উক্ত আঁচনি সমূহৰ ভিতৰত কিমানটা সম্পূৰ্ণ হৈছে ? (বিস্তৃত তথ্য সদনত দাখিল কৰিব)

(ঘ) ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষত পকী পথ নিৰ্মাণৰ বাবে গ্ৰহণ কৰা আঁচনি সমূহৰ বিপৰীতে ধাৰ্য্য কৰা ব্যয়ৰ পৰিমাণ কিমান ? (জিলা ভিত্তিক তথ্য পৃথকে দাখিল কৰিব)

(ঙ) ৰূপহীহাট সমষ্টিত যাতায়তৰ ক্ষেত্ৰত দুৰ্গমতাৰ বিষয়ে চৰকাৰ অৱগতনে ? যদি হয়, সমষ্টিটোৰ গ্ৰাম্য পথ সমূহ পকীকৰণৰ ক্ষেত্ৰত তীব্ৰতৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ? (বিস্তৃত তথ্য দিব)

*বিষয় ঃ* **২ নং ৰাজ্যিক ঘাইপথ।**

শ্ৰীআব্দুল খালেক ঃ

*৮৫। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২ নং ৰাজ্যিক ঘাইপথৰ দৈৰ্ঘ্য কিমান ? এই পথ কোনখিনিত আৰম্ভ হৈছে আৰু ক'ত শেষ হৈছে ?

(খ) উল্লেখিত ঘাইপথত বেকী আৰু মানাহৰ ওপৰত ২০০৯-১৬ চনৰ ভিতৰত তিনিখন দলং নিৰ্মাণ হোৱাৰ কথাটো সঁচানে ?

(গ) বৰ্তমান দলং তিনিখন কি পৰ্য্যায়ত আছে ? দলং তিনিখন যাতায়তৰ বাবে মুকলি কৰি দিয়া হৈছে নে ? যদি নাই দিয়া, কি কাৰণত দিব পৰা নাই ?

(ঘ) উল্লেখিত ঘাইপথৰ কিছু অংশত পথ নিৰ্মাণ কাৰ্য চলি আছে ? যদি চলি আছে, এই কাম কোনে কৰি আছে আৰু কেতিয়ালৈ এই কাম সম্পূৰ্ণ হ'ব ? উল্লেখিত কামৰ বাবে কিমান ধন ধাৰ্য্য কৰা হৈছে আৰু কিমান ধন মুকলি কৰি দিয়া হৈছে ?

(ঙ) বৰপেটা কলিতাকুছি পথছোৱা বৰ্তমান কেনে পৰ্য্যায়ত আছে ? এই পথছোৱা উন্নীতকৰণৰ কাৰণে চৰকাৰৰ কি পৰিকল্পনা আছে ?

*Sub :* **Irrigation Sub-Divisional Office.**

Shri KRIPANATH MALLAH :

*86. Will the Minister of Irrigation be pleased to state :

(a) What action has been initiated by the Government in Irrigation Department of Assam on the letter No. KNM/RTB/DEV/2016-17/63, dated 09/03/2017 addressed to the Hon'ble Chief Minister, Assam submitted by the MLA, Ratabari LAC regarding setting up of a new Irrigation Sub-Divisional office at Ramkrishna Nagar ?

(b) Whether the Government has requested the Chief Engineer, Irrigation Department, Govt. of Assam for submission of formal proposal to the Govt. for further necessary action on the above matter ? (Please place copy of such communication)

*বিষয় ঃ* **ঠিকাদারের Bridge এর কাজ বন্ধ রাখা সম্পর্কে।**

শ্ৰীসুজাম উদ্দিন লস্কর ঃ

*৮৭। মাননীয় গড়কাপ্টানি বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক)LA-7 Katlicherra সমষ্টিতে Karicherra Bazar এর নিকটস্থ R.C.C. Bridge টি কোন প্রকল্পের আওতায় এবং কত টাকা বরাদ্ধ করা হয়েছে ?

(খ) অদ্যাবধী উক্ত Bridge এর কত শতাংশ কাজ সম্পূর্ণ হয়েছে ? এবং বরাত প্রাপ্ত ঠিকাদার কে কত টাকা প্রদান করা হয়েছে ?

(গ) বিগত প্রায় ২ (দুই) বৎসর যাবৎ উক্ত Bridge এর কাজ অর্ধ সমাপ্ত থাকার তথ্য সরকারের নিকট আছে কি ?

(ঘ) যদি থাকে, তবে কবে নাগাদ তাহা সম্পূর্ণ করা হবে ?

*বিষয় ঃ* **উপ-সংমণ্ডল স্থাপন।**

শ্ৰীসত্যব্ৰত কলিতা ঃ

*৮৮। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰশ্নকৰ্ত্তাৰ ৩/৩/২০১৭ তাৰিখৰ তৰাচিহ্নিত প্ৰশ্ন নং ২৪২ (ঘ) ৰ উত্তৰত বিত্ত বিভাগে গড়কাপ্টানি বিভাগৰ পৰা নতুন গড়কাপ্টানি (পথ) উপ-সংমণ্ডল স্থাপনৰ ক্ষেত্ৰত যুক্তি/যুক্ততা বিচাৰি ফাইলটো গড়কাপ্টানি বিভাগলৈ ঘূৰাই পঠাইছে আৰু বিভাগে যুক্তি/যুক্ততাৰ তথ্যবোৰ মুখ্য অভিযন্তাৰ পৰা বিচাৰিছে সাপেক্ষে বিধান সভাত ইং ১৫/০৭/২০১৩ তাৰিখে তৰাচিহ্নিত প্ৰশ্ন নং ৩ (ক), (খ) আৰু (গ)ত মুখ্য অভিযন্তাৰ পৰা তথ্য সহকাৰে এটা নতুন গড়কাপ্টানি উপ-সংমণ্ডল স্থাপনৰ সমৰ্থনত যুক্তি/যুক্ততাৰে পত্ৰ নং CEE.160/2011/7 তং ১৬/২/২০১২ৰ জৰিয়তে আৰু Annexure-"A" যোগে মুখ্য অভিযন্তাৰ পৰা প্ৰতিবেদন লাভ কৰাৰ বিষয়ে উল্লেখ কৰাটো সঁচানে ?

(খ) যদি সঁচা, উক্ত প্ৰতিবেদন ইমান দিনে বিত্ত বিভাগক দাখিল নকৰি পুনৰ প্ৰতিবেদন বিচৰাৰ কাৰণ কি ?

(গ) বিত্ত বিভাগে কিমান তাৰিখে ফাইলটো ঘূৰাই পঠাইছিল আৰু মুখ্য অভিযন্তালৈ নতুন উপ-সংমণ্ডল স্থাপনৰ যুক্তি/যুক্ততা বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল ? (পত্ৰৰ প্ৰতিলিপি সদনত দিব)

(ঘ) প্ৰতিবেদন পোৱা হ'লনে ? (প্ৰতিবেদনৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিব)

(ঙ) যদি প্ৰতিবেদন পাইছে, বিত্ত বিভাগলৈ কিমান তাৰিখে প্ৰেৰণ কৰিলে ?

*বিষয় ঃ* **বানপানীত বিধ্বস্ত দলং, পথ ।**

শ্ৰীফনী ভূষন চৌধুৰী ঃ

*৮৯। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১ চনৰ পৰা বৰ্তমানলৈ বানপানীয়ে ৰাজ্যৰ কিমান দলং উটুৱাই নিছে আৰু কিমান ৰাস্তাৰ ক্ষতিগ্ৰস্ত হৈছে ? এই ক্ষতিৰ পৰিমাণ কিমান হ'ব ? (ইংৰাজী বৰ্ষ সমূহত তথ্য সমূহ দাখিল কৰিব) ২০১১ চনৰ পৰা বানপানীয়ে উটুৱাই নিয়া দলং সমূহৰ কিমান এতিয়ালৈ নিৰ্মাণ কৰা হ'ল আৰু কিমান এতিয়াও নিৰ্মাণ হ'বলৈ বাকী আছে ? (তথ্য সমূহ গড়কাপ্টানি সংমণ্ডল হিচাপত দাখিল কৰিব)

(খ) বঙাইগাওঁ জিলাৰ কাকাৰাগাঁও বামুগাঁও পথৰ কোকৰাঝাৰ চিকিবিকি (দলং নম্বৰ ২/১) দলংখন কেতিয়া বানপানীয়ে উটুৱাই লৈ গৈছিল ? এই দলংখন নিৰ্মাণ কৰা হ'লনে ? যদি হোৱা নাই কেতিয়ালৈ এই দলংখন নিৰ্মাণ কৰা হ'ব ?

(গ) বৰ্তমান ৰাজ্যত কিমান কাঠৰ দলং আছে ? এই দলং সমূহ কেতিয়া পকী কৰা হ'ব ? বৰ্তমান কিমানখন কাঠৰ দলং পকীকৰণৰ কাম চলি আছে ?

(ঘ) ২০১৭-১৮ বিত্তীয় বৰ্ষত ৰাজ্যৰ কোন সংমণ্ডলত কিমান কাঠৰ দলং পকীকৰণ কৰা হ'ব ?

*Sub :* **Non completion of Roads and Bridges.**

HAFIZ BASIR AHMED :

*90. Will the Minister of P.W.D. be pleased to state :

(a) What is the present status of works under PMGSY PHG. No. AS-05-25, 26, 41, 42 & 43 ?

(b) Whether the Govt. is aware about the inconvenience faced by the common people due to non completion of the said work ?

(c) If so, will the Govt. give a time frame for completion of the same ?

(d) Is it true that the same matter has been raised in this house several times and lastly in 2016 on 22/7/2016 under Unstarred Question No. 181 the Govt. has assured to complete the work as per tendered agreement ? Whether the Govt. looked into the matter and took action against the responsible person ?

*বিষয় ঃ* **PMGSY সন্দৰ্ভত।**

শ্ৰীযোগেন মহন ঃ

*৯১। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১০৫ নং মাহমৰা সমষ্টি অন্তৰ্গত এতিয়াও বহুতো ৰাস্তা PMGSY অধীনত হ'বলগীয়া আছে যদিহে আঁচনিখন বন্ধ হৈ যায় তেন্তে উক্ত ৰাস্তা সমূহ কোনটো আঁচনিৰ অধীনত বনোৱাৰ ব্যৱস্থা কৰিব জনাব ?

(খ) গড়কাপ্টানি বিভাগৰ যোগেদি সমষ্টি ভিত্তিত এতিয়াও বহুতো কাৰ্য্যালয় জৰাজীৰ্ণ অৱস্থাত আছে, সেই সমূহ কাৰ্য্যালয় পুনৰ মেৰামতি কৰাৰ ব্যৱস্থা হাতত লৈছে নে জনাব ?

*বিষয় ঃ* **দেশীয় সুৰাৰ সন্দৰ্ভত।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

*৯২। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত দেশীয় সুৰাৰ উৎপাদনৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত লোক সকলক দেশীয় সুৰা উৎপাদন আৰু বিক্ৰী কৰাৰ ক্ষেত্ৰত কিবা আঁচনি চৰকাৰে গ্ৰহণ কৰিছেনে ?

(খ) যদি কৰিছে, কেতিয়াৰ পৰা এই আঁচনি কাৰ্য্যকৰী হ'ব ?

*বিষয় ঃ* **হস্ততাঁতৰ আঁচনি সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

*৯৩। মাননীয় হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Handloom cluster আঁচনিখন কিমান চনৰ পৰা আৰম্ভ হৈছিল আৰু তেতিয়াৰ পৰা এতিয়ালৈকে কিমান আঁচনি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন হৈ আহিছে ? (বিস্তৃত ভাৱে সদনৰ মজিয়াত দাখিল কৰিব)

(খ) অসমৰ শিপিনীৰ বাবে ৰাজ্য চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে ?

(গ) Traditional Handloom ক জীয়াই ৰখাৰ স্বাৰ্থত Traditional Handloom ৰ উৎপাদন সমূহৰ বিক্ৰীৰ ক্ষেত্ৰত আগতে Rebate বা M.I.ৰ সুবিধা কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰিছিল ? বৰ্তমান এই দুটা আঁচনি বন্ধ হোৱাৰ পিছত এই সুবিধা বৰ্তমান শিপিনী সকলে নাপায় ? এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে Handloom Production ৰ ওপৰত বিশেষ ( Subsidy ) ৰাজ্য সাহায্য দিয়াৰ আঁচনি গ্ৰহণ কৰিবনে ?

(ঘ) গুৱাহাটী মাছখোৱাত থকা বিভাগৰ মাটিত Handloom Hub কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছেনে ? যদি কৰা নাই তেনেহ'লে তেনে এটা Handloom Hub কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

*বিষয় ঃ* **পকী দলং।**

শ্ৰীৰূপক শৰ্মা ঃ

*৯৪। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ আইন মহাবিদ্যালয়ৰ সমীপত থকা কাঠৰ দলংখন পকীকৰণৰ বাবে ইতিমধ্যে নিবিদা আহ্বান কৰা হৈছিল যদিও আজি পৰ্য্যন্ত কামৰ আবণ্টন দিয়া হোৱা নাই, উক্ত দলংখনৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব জনাবনে ?

(খ) ভূঞাপট্টী আৰু Police Reserve সংযোগী পকী দলংখন আজিৰ পৰা বহু বছৰ আগতেই নিৰ্মাণ সম্পূৰ্ণ হ'ল যদিও আজি পৰ্য্যন্ত মুকলি কৰি দিয়া নাই বুলি চৰকাৰ জ্ঞাতনে ?

(গ) যদি জ্ঞাত, তেন্তে চহৰৰ মাজ-মজিয়াত থকা এই দলংখন ৰাইজৰ সুবিধাৰ্থে মুকলি কৰি দিয়াত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

*বিষয় ঃ* **PMGSY পথ।**

শ্ৰীপবিন্দ্ৰ ডেকা ঃ

*৯৫। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰৰ ২০১৬-১৭ বিত্তীয় বৰ্ষত প্ৰধান মন্ত্ৰীৰ গ্ৰামীণ ষোড়ক যোজনা (PMGSY) ৰ আঁচনিৰ অধীনত অসম ৰাজ্যৰ কিমানটা পথৰ অনুমোদন জনাইছে ?

(খ) এনে অনুমোদিত পথ সমূহৰ বাবে কিমান টকা খৰচৰ বাবে অনুমোদন জনাইছে ?

(গ) এনেভাৱে অনুমোদিত PMGSY পথবোৰৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছেনে ? যদি হৈছে, কিমানটা পথৰ কাম আৰম্ভ হৈছে ?

(ঘ) যদি হোৱা নাই, নিৰ্মাণ কাৰ্য্য কেতিয়া আৰম্ভ হ'ব ?

*বিষয় ঃ* **ৰাস্তা মেৰামতি।**

শ্ৰীঅনন্ত কুমাৰ মালো ঃ

*৯৬। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই বেলি হৈ যোৱা বানপানীত বঙাইগাওঁ জিলাৰ ৩৫ নং অভয়াপুৰী দক্ষিণ সমষ্টিত ব্ৰহ্মপুত্ৰ, মানাহ, আই আৰু চম্পাৱতী নদীৰ বাঢ়নী পানীয়ে পিৰাধৰা মধুফল গড়কাপ্টানি পথ, কুশবাৰি মেৰেৰ চৰ গড়কাপ্টানি পথৰ বিভিন্ন ঠাইত ৰাস্তা ভাঙি যোৱাত ৰাইজ, বেমাৰী আৰু স্কুলীয়া ল'ৰা-ছোৱালীৰ যাতায়ত বন্ধ হোৱাটো চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত, উক্ত ৰাস্তা সমূহ পুনঃমেৰামতিৰ বাবে জৰুৰী কাৰ্য্য পন্থা হাতত ল'বনে ?

(গ) যদি নয়, কেতিয়া ল'ব জনাবনে ?

*বিষয় ঃ* **পকী ৰাস্তা নিৰ্মাণ।**

শ্ৰীমৃনাল শইকীয়া ঃ

*৯৭। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত পকী ৰাস্তা নিৰ্মাণ কৰাৰ বাবে কিমান দিনৰ অনুকুল বতৰ পোৱা যায় ?

(খ)বাজেটত ধাৰ্য্য কৰা কামৰ নিবিদা সাধাৰণতে কোন মাহত কিমান দিনৰ ভিতৰত সম্পন্ন কৰা হয় ?

(গ) নিবিদা ঘোষণাৰ কিমান দিন পিছত Work Order প্ৰদান কৰা হয় আৰু সেই Work Order অনুকুল বতৰৰ ওপৰত ভিত্তি কৰা হয়নে ?

(ঘ) PMGSY ৰ অধীনত ৫ বছৰ সম্পূৰ্ণ হোৱা ৰাস্তাবোৰৰ মেৰামতি সেইটো বৰ্ষতে কৰা হয়নে ? যদি নহয় কিয় জনাব ?

(ঙ)PMGSY ৰ ৰাস্তাবোৰ Black Topings ৰ পৰিবৰ্তে আজিকালিৰ CCBlock দিয়া ৰাস্তালৈ Convert কৰিব পাৰি নে ?

(চ) যদি পাৰি, এই বিষয়ত আজিলৈকে ক'ত কেইটা ৰাস্তা কৰা হৈছে, জনাব ? (তালিকা দিব)

*বিষয় ঃ* **ধনশিৰি নৈৰ ওপৰত নিৰ্মিয়মান পকী দলং।**

শ্ৰীমতী ৰ'জলীনা তিৰ্কী ঃ

*৯৮। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত সৰুপথাৰ

গ্ৰাম্য পথ সংস্থাগুলৰ অধীনৰ ধনশিৰি মহকুমালৈ যোৱা মুখ্য পথ চিলনীজান সৰুপথাৰ পথত ধনশিৰি নৈৰ ওপৰত শিমলুচাপৰি অঞ্চলত নিৰ্মীয়মান পকী দলংখন কিমান চনত আবণ্টিত হৈছিল আৰু কিমান দিনৰ ভিতৰত দলংখনৰ নিৰ্মাণৰ কাম শেষ কৰিবৰ বাবে ঠিকাদাৰ চুক্তিবদ্ধ হৈছিল ? ঠিকাদাৰ জনৰ নাম কি ?

(খ) চুক্তি অনুসৰি ঠিকাদাৰে কাম নকৰাৰ পিছতো ঠিকাদাৰৰ ওপৰত আইনগত ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

(গ) বিগত কেইবাখনো বিধান সভা অধিবেশনত উক্ত বিষয়টো অতি শীঘ্ৰে সম্পূৰ্ণ কৰাৰ আশ্বাস দিয়াৰ কথা সত্য হয়নে ?

(ঘ) পবিত্ৰ সদনত অনতিপলমে কাম কৰাৰ আশ্বাস প্ৰদান কৰাৰ পাছতো বিভাগে বিষয়টো সমাধানত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ কাৰণ কি ?

(ঙ) চৰকাৰে দলংখনৰ নিৰ্মাণৰ কাম কেতিয়া সম্পূৰ্ণ কৰিব ?

*বিষয় ঃ* **দলং নিৰ্মাণ আৰু পথ মেৰামতি ।**

শ্ৰীমতী কমলী বসুমতাৰী ঃ

*৯৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১৬ চনৰ ২৭ ডিচেম্বৰ তাৰিখে ওদালগুৰি তামোলপুৰ পথৰ শুক্লাই আৰু নৈ কালা নদীৰ দলং নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হৈছিল যদিও বৰ্তমানলৈকে নিৰ্মাণৰ কাম আৰম্ভ নকৰাৰ কাৰণ কি জনাবনে ?

(খ) অতি সোনকালে নিৰ্মাণৰ কাম আৰম্ভ কৰিবনে ?

(গ) এই বছৰ প্ৰবল বৰষুণৰ কাৰণে অসমৰ বেয়াকৈ ভাঙি যোৱা পথবোৰ মেৰামতি কৰাৰ কাৰণে ব্যৱস্থা লৈছেনে ?

(ঘ) পানেৰী সমষ্টিৰ অতি জৰাজীৰ্ণ টংলা ভেৰগাওঁ পথ, টংলা ডিমাকুছী, বামুনজুলি, বৰঙ্গাজুলী পথ, ডিমাকুছী টংলা আৰু পৰবাহুছুবা ডিমাকুছী (আধা ৬ কিঃ মিঃ) মেৰামতিৰ কাৰণে গড়কাপ্তানি বিভাগে ব্যৱস্থা ল'বনে ?

*বিষয় ঃ* **Chief Minister's Package.**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

*১০০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কৰিমগঞ্জ চহৰৰ কালিবাৰী আদি কৰি Chief Minister's Package (C.M.P) ৰ কামটো কেতিয়া Administrative Approval হৈছে ?

(খ) উক্ত কাম বিলাক কিয় বন্ধ হৈ পৰি আছে ?

(গ) কেতিয়াৰ ভিতৰত কামটো সম্পূৰ্ণ হ'ব ?

---

AGP (Mini) 133/17-L.A.Q.-750-4-9-17.